# ১ থিচল

## ‘প্ৰথম থিচলনীকীয়া পত্ৰ’ৰ পাতনি

পাঁচনি পৌলে থিচলনীকীৰ লোকসকললৈ লিখা এইখন প্ৰথম পত্ৰ (1:1)। যীচু খ্ৰীষ্টৰ জন্মৰ প্ৰায় 51 বছৰৰ পাছত পৌলে লিখা এইখনেই হয়তো প্ৰথম পত্ৰ; যিখন বাইবেলৰ এটা অংশস্বৰূপ হ’ল। থিচলনীকীত থকা মণ্ডলীলৈ যেতিয়া পত্ৰ লিখিছিল, তেতিয়া তেওঁ কৰিন্থীত আছিল। সেই মণ্ডলী তেওঁ দ্বিতীয় বাৰ শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ যাওঁতে স্থাপন কৰিছিল (পাঁচনিকৰ্ম 17:1-10)। ‘পাঁচনি সকলৰ কৰ্ম’ পুস্তকত কৈছে যে, এই মণ্ডলী কিছুমান ইহুদী আৰু বহুতো গ্ৰীক লোকৰ দ্বাৰা গঠন কৰা হৈছিল।

পৌলে মণ্ডলী স্থাপন কৰাৰ পাছত, বেছি দিনলৈকে থিচলনীকীয়াত থাকিব পৰা নাছিল; সেয়ে তেওঁ পাছত তাত থকা বিশ্বাসী লোকসকলক উদগণি দিবলৈ এই পত্ৰ লিখি পঠিয়াইছিল। এই পত্ৰত বহুতো বিষয় থকাৰ লগতে খ্ৰীষ্টীয় লোকসকলে কিদৰে জীৱন যাপন কৰিব লাগে, সেই বিষয়ে বিভিন্ন সাধাৰণ নিৰ্দেশনা জড়িত হৈ আছে। এই পত্ৰত পৌলে যীচু খ্ৰীষ্টৰ দ্বিতীয় আগমনৰ বিষয়ত গুৰুত্ব প্ৰদান কৰিছে। অৱশ্যে এই বিষয়ত থিচলনীকীয়া মণ্ডলীৰ বিশ্বাসী সকল বিশেষভাৱে আগ্ৰহী আছিল। ঈশ্বৰক সন্তুষ্ট কৰিবলৈ কি দৰে জীৱন যাপন কৰিব লাগে, সেই বিষয়ে প্ৰেৰণা যোগাবৰ বাবে যীচু খ্ৰীষ্টৰ দ্বিতীয় আগমনৰ ওপৰত পৌলে গুৰুত্ব প্ৰদান কৰিছে (5:6-8)।

চমু বিৱৰণঃ পৌলে এই পত্ৰত মণ্ডলীক শুভেচ্ছা জনায় আৰু তেওঁলোকৰ বাবে ঈশ্বৰক ধন্যবাদ দি আৰম্ভ কৰিছে (1)। তাৰ পাছত তেওঁৰ কাৰ্য আৰু তিমথীয়ই অনা বাতৰিৰ বিষয়ে ব্যখ্যা কৰিছে (2-3)। পৰৱৰ্তী অংশত যীচু খ্ৰীষ্টৰ দ্বিতীয় আগমনৰ ভিত্তিত কিদৰে খ্ৰীষ্টীয় লোক সকলে জীৱন যাপন কৰিব লাগে সেই বিষয়ে পৌলে নিৰ্দেশনা দিছে (4:1, 5:15)। পৌলে পুনৰ মণ্ডলীলৈ শুভেচ্ছা জনায় আৰু মণ্ডলীৰ প্ৰত্যেক লোকক পত্ৰখন পঢ়িবলৈ কৈ এই পত্ৰৰ সামৰণি কৰিছে (5:16-28)।

## Chapter 1

**1**মই পৌল, চীল আৰু তীমথিয়, পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টত থকা থিচলনীকীয়া সকলৰ মণ্ডলীৰ সমীপলৈ; অনুগ্ৰহ আৰু শান্তি
আপোনালোকলৈ হওক।

**2**আমি সদায় প্ৰাৰ্থনা কালত আপোনালোক সকলোৰে নাম সোঁৱৰণ কৰোঁ আৰু আপোনালোকৰ কাৰণে ঈশ্বৰক ধন্যবাদ দিওঁ।
**3**আপোনালোকৰ বিশ্বাসৰ কাৰ্য, প্ৰেমৰ পৰিশ্ৰম আৰু আমাৰ প্ৰভু যীচু খ্ৰীষ্টত যি আশা আছে, সেই আশাক দৃঢ়ভাৱে আৰু ধৈৰ্যেৰে যে
আপোনালোকে ধৰি ৰাখিছে, সেয়েহে এইবোৰ কথা সোঁৱৰণ কৰি নিৰন্তৰে আমি প্ৰাৰ্থনাত পিতৃ ঈশ্বৰৰ ধন্যবাদ কৰি আছোঁ।

**4**হে ঈশ্বৰৰ প্ৰিয় ভাই সকল, আপোনালোক যে মনোনীত লোক, সেই বিষয়ে আমি জানো; **5**কাৰণ আমাৰ দ্বাৰা প্ৰচাৰিত শুভবাৰ্তা কেৱল
কথাৰে আপোনালোকলৈ অহা নাছিল; কিন্তু পৰাক্ৰম, পবিত্ৰ আত্মা আৰু অধিক নিশ্চয়তাৰে আপোনালোকলৈ আহিছিল। তাতে আমি কেনে
ধৰণৰ লোক, সেই বিষয়ে আপোনালোকৰ লগত থকাৰ সময়ত আপোনালোকে নিজে জানিছিল। **6**বহু ক্লেশৰ মাজত পবিত্ৰ আত্মাই দিয়া
আনন্দৰ সৈতে আপোনালোকে সেই শুভবাৰ্তা গ্ৰহণ কৰি আমাৰ আৰু প্ৰভুৰ অনুকাৰী হ’ল। **7**তাৰ ফলত আপোনালোক মাকিদনিয়া আৰু
আখায়াত থকা সকলো বিশ্বাসী লোকলৈ আৰ্হি হৈছে। **8**মাত্ৰ মাকিদনিয়া[1] আৰু আখায়া[2] অঞ্চলতে যে আপোনালোকৰ পৰা প্ৰভুৰ বাক্য
বিয়পি পৰিছে এনে নহয়, কিন্তু ঈশ্বৰৰ প্ৰতি আপোনালোকৰ যি বিশ্বাস, সেই বাৰ্তা সকলো ঠাইতে বিয়পি পৰিছে। এই বিষয়ে আমি একো
কোৱাৰ প্ৰয়োজন নাই। **9**কাৰণ লোক সকলে আমাক জনাইছে যে, আপোনালোকে কিদৰে আমাক গ্ৰহণ কৰিছিল আৰু কি ভাবে
আপোনালোকে মূৰ্তি পূজাৰ পৰা ঘূৰি জীৱন্ত আৰু সত্য ঈশ্বৰৰ সেৱা কৰি আছে। **10**ঈশ্বৰে যি পুত্ৰক মৃত লোকৰ মাজৰ পৰা তুলিলে, তেওঁ ঘূৰি
অহালৈ স্বৰ্গত অপেক্ষাও কৰি আছে। সেই পুত্ৰ যীচুৱেই আমাক আহিব লগা ক্ৰোধৰ পৰা উদ্ধাৰ কৰিব।

---

1:8 [1]
1:8 [2]

## ১ অধ্যায় 2

### থিচলনীকীত পৌলৰ কাৰ্য

**1**প্ৰিয় ভাই সকল, আপোনালোকে নিজেই জানে যে, আপোনালোকৰ ওচৰলৈ আমাৰ যোৱা অৰ্থহীন নহ’ল; **2**আপোনালোকে এই কথাও জানে
যে, আমি আগেয়ে ফিলিপী নগৰত অনেক দুখভোগ কৰিছিলোঁ আৰু আমাক অপমানিত কৰা হৈছিল। তেতিয়া নানা বিৰোধিতাৰ মাজতো
আমি আপোনালোকৰ আগত শুভবাৰ্তা কবলৈ আমাৰ ঈশ্বৰত সাহস পালোঁ।

